**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-JAN-2026
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। উত্তৰ পূৰ্বাঞ্চলত জলপথৰ বিকাশৰ বাবে ৫০০ কোটিৰো অধিক টকা বিনিয়োগেৰে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ ৮৫ টা জেটি উন্নয়নৰ ঘোষণা।

২। গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী নৱ নিৰ্মিত দলঙৰ ওপৰত টোলগেট স্থাপনৰ বাবে ৰাজ্য চৰকাৰৰ নিবিদা আহ্বান।

৩। ৭৭ সংখ্যক গণৰাজ্য দিৱসৰ পেৰেডত উজ্বলিব ধুবুৰীৰ আশাৰিকান্দিৰ পোৰামাটি শিল্প।

৪। গোভা দেওৰজাৰ পৰম্পৰাগত জোনবিল মেলাৰ আজি সামৰণি।

*আৰু*

৫। ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত ভাৰতৰ ৭ উইকেটত জয়লাভ।

০০০০০০

কেৰালাৰ কোচিৰ ৱাটাৰ মেট্ৰ'ৰ আৰ্হিত অসমৰ গুৱাহাটী, তেজপুৰ, ডিব্ৰুগড় চহৰক সংযোগ কৰি নগৰীয়া জলপথ কেন্দ্ৰ হিচাপে গঢ়ি তোলা ক্ৰুজ জেটি চলোৱাৰ বাবে বিশেষ উদ্যোগ গ্ৰহণ কৰা হৈছে। কেৰালাত অনুষ্ঠিত আভ্যন্তৰীণ জলপথ উন্নয়ন পৰিষদৰ তৃতীয় অধিৱেশনত কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি এই কথা প্ৰকাশ কৰে।

*(বাইট ঃ সৰ্বানন্দ)*

মন্ত্ৰী সোণোৱালে কয়, যে  নদী জলপথেৰে আঞ্চলিক যোগাযোগ বৃদ্ধিৰ লগতে জীৱিকাৰ বাবে নতুন সুযোগ সৃষ্টি কৰাৰ উদ্যোশ্যে এই উদ্যোগ গ্ৰহণ কৰা হৈছে। উত্তৰ পূৰ্বাঞ্চলত জলপথৰ বিকাশৰ বাবে ৫০০ কোটিৰো অধিক টকা বিনিয়োগ কৰি ৮৫ টা জেটিৰ বিকাশ কৰিব বুলিও তেওঁ প্ৰকাশ কৰে। এই প্ৰকল্পসমূহে ৰাজ্যৰ আন্তৰ্দেশীয় জলপথ পৰিকাঠামোক যথেষ্ট শক্তিশালী কৰি তোলাৰ লগতে নদী ক্ৰুজ পৰ্যটনক উৎসাহিত কৰিব বুলি মন্ত্ৰী সোণোৱালে প্ৰকাশ কৰিছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে এই পদক্ষেপ সমূহে ব্ৰহ্মপুত্ৰক কেন্দ্ৰ কৰি বাণিজ্য, নিয়োগ আৰু দীৰ্ঘম্যাদী বিকাশৰ নতুন সংযোগ সৃষ্টি কৰিব। তেওঁ এই বৈঠকত ১৫০০ কোটি টকাৰো অধিক মূল্যৰ প্ৰকল্প ক্ষিপ্ৰতাৰে ৰূপায়ণ কৰাত গুৰুত্ব আৰোপ কৰি কয়, যে এই পদক্ষেপে সেউজ গতিশীলতা ত্বৰান্বিত কৰাৰ লগতে মাল্টিমডেল ল'জিষ্টিক শক্তিশালী কৰা আৰু নদী নিৰ্ভৰ অৰ্থনৈতিক বিকাশক প্ৰসাৰিত কৰাৰ লক্ষ্য ৰাখিছে।

০০০০০০

গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী নৱ নিৰ্মিত দলঙৰ ওপৰত টোলগেট স্থাপনৰ বাবে ৰাজ্য চৰকাৰে নিবিদা আহ্বান কৰিছে। ৰাষ্ট্ৰীয় ঘাইপথত থকা টোলগেটৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰৰ পথ পৰিবহণ মন্ত্ৰালয়ে টোল সংগ্ৰহ কৰে যদিও লোকনিৰ্মাণ বিভাগে কালি গুৱাহাটী-উত্তৰ গুৱাহাটী টোলগেটৰ বাবে নিবিদা আহ্বান কৰে। ইয়াৰ জৰিয়তে ৰাজ্য চৰকাৰে টোলগেটৰ দ্বাৰা প্ৰথম বাৰলৈ কৰ সংগ্ৰহৰ আঁচনি লৈছে। এই টোলগেট নিৰ্মাণৰ বাবে লোক নিৰ্মাণ বিভাগে ৬ কোটি ১১ লাখ ৬০ হাজাৰ টকাৰ নিবিদা প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, কুমাৰ ভাস্কৰ বৰ্মা সেতু হিচাপে

নামকৰণ কৰা এই দলংখন অহা ১৪ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্বোধন কৰাৰ কথা। ২০১৯ চনৰ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই দলংখনৰ আধাৰশিলা স্থাপন কৰিছিল।

০০০০০০

৭৭ সংখ্যক গণৰাজ্য দিৱসৰ পেৰেডত নতুন দিল্লীত অসমৰ পোৰামাটি শিল্পৰ প্ৰতীকপট প্ৰদৰ্শন কৰা হ'ব। ধুবুৰীৰ আশাৰিকান্দিৰ ভৌগোলিক সূচ্যাংকৰ পৰিচিতি লাভ কৰা এই শিল্প এইবাৰৰ পেৰেডত দেশবাসীৰ সন্মুখত উজ্বলি উঠিব।

গণৰাজ্য দিৱস উপলক্ষে ৰাজ্যৰ বিভিন্ন জিলাতো প্ৰস্তুতি চলি আছে। ইয়াৰ বাবে জিলা সদৰসমূহত কুচকাৱাজৰ অনুশীলন কৰি থকা হৈছে। গুৱাহাটীৰ খানাপাৰত থকা অসম পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত গণৰাজ্য দিৱসৰ কাৰ্যসূচী উদযাপন কৰা হ'ব। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পুৱা ৯ বজাত গণৰাজ্য দিৱসৰ পতাকা অনাবৰণ কৰিব। ইতিমধ্যে খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত ২৪টা দলে কুচকাৱাজৰ অনুশীলন অব্যাহত ৰাখিছে। এইবেলি মিজোৰাম আৰক্ষীৰ এটা দলেও কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ কথা।

ডিব্ৰুগড় জিলাতো গণৰাজ্য দিৱসৰ বাবে প্ৰস্তুতি চলাই থকা হৈছে। জিলাখনৰ খনিকৰ খেলপথাৰত হ'বলগীয়া গণৰাজ্য দিৱসৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই পতাকা অনাবৰণ কৰিব। ইয়াৰ বাবে দিনে-নিশাই প্ৰস্তুতি চলাই থকা হৈছে। ডিব্ৰুগড় মহানগৰত গণৰাজ্য দিৱস উপলক্ষে আৰক্ষীয়ে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। সমাগত গণৰাজ্য দিৱসৰ প্ৰতি লক্ষ্য ৰাখি জিলাখনৰ সকলো চৰকাৰী কাৰ্যালয় ২৬ জানুৱাৰীলৈকে খোলা ৰাখিবলৈ জিলা আয়ুক্তই এখন জাননী জাৰি কৰিছে। তদুপৰি জিলা প্ৰশাসনে ২৫ জানুৱাৰীৰ পুৱা ৮ বজাৰ পৰা ২৭ জানুৱাৰীৰ দিনৰ ১২ বজালৈ ডিব্ৰুগড় পৌৰ নিগম এলেকাৰ ভিতৰত আৰু খনিকৰ চাৰিআলিৰ পৰা ডিব্ৰুগড় চহৰলৈ ডাম্পাৰ, নিৰ্মাণ সামগ্ৰী সৰবৰাহ কৰা যান-বাহন তথা অন্যান্য গধুৰ যান-বাহনৰ চলাচল নিষিদ্ধ কৰিছে।

জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই কালি সমাগত গণৰাজ্য দিৱসৰ কাৰ্যসূচীৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে জাগিভকত গাঁৱত উপস্থিত হয়। মন্ত্ৰীগৰাকীয়ে কাৰ্যসূচী সাফল্যমণ্ডিত কৰাৰ বাবে সকলো প্ৰচেষ্টা অব্যাহত ৰাখিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। ধেমাজিৰ সদৰৰ ঐতিহাসিক কাছাৰী ময়দান প্ৰাঙ্গনত দৈনিক কুচকাৱাজৰ অনুশীলন অব্যাহত আছে। এইবেলি গণৰাজ্য দিৱসৰ কাৰ্যসূচীত ৩২টা দলে অংশ লোৱাৰ কথা।

হাটশিঙিমাৰীৰ অসম-মেঘালয় সীমান্ততো সমাগত গণৰাজ্য দিৱস উপলক্ষে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। বাংলাদেশ আন্তঃৰাষ্ট্ৰীয় সীমান্তত সীমান্ত সুৰক্ষা বাহিনীয়ে নিৰাপত্তা নিশ্চিত কৰাৰ উদ্দেশ্যে সকলো পদক্ষেপ গ্ৰহণ কৰিছে। তদুপৰি অসম-মেঘালয় সীমান্তৱৰ্তী অঞ্চলসমূহত মেঘালয়ৰ পৰা প্ৰবেশ কৰা প্ৰতিখন বাহনত তালাচী চলোৱা হৈছে।

ধুবুৰী জিলাতো গণৰাজ্য দিৱসৰ পেৰেডৰ চূড়ান্ত আখৰা কৰি থকা হৈছে। গণৰাজ্য দিৱসলৈ মাত্ৰ এদিন থকা অৱস্থাত অসম আৰক্ষী, স্কাউট-গাইড আৰু ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীকে ধৰি বিভিন্ন গোটে ৰজা প্ৰভাত চন্দ্ৰ বৰুৱা খেল-পথাৰত পেৰেডৰ প্ৰস্তুতি পূৰ্ণ মাত্ৰাত চলাই আছে।

০০০০০০

চুবুৰীয়া ৰাষ্ট্ৰ ভূটান সীমান্তত বাক্সা জিলাৰ সুৰণখাটাত ৯দিনীয়া কাৰ্যসূচীৰে আয়োজিত ভাৰত-ভূটান মৈত্ৰী মেলাৰ আজি সামৰণি পৰিব। ইয়াৰ লগতে মাঘৰ দোমাহীৰ পৰা আৰম্ভ হোৱা মাঘ মেলাৰো অন্ত পৰিব। ৰাজ্যৰ বিভিন্ন জাতি-জনজাতিৰ লগতে ভূটানৰ বিভিন্ন জনগোষ্ঠীৰ বাৰে-ৰহণীয়া সাংস্কৃতিক বৈচিত্ৰক এই মেলাত প্ৰদৰ্শন কৰা হয়। আজি মেলাৰ সামৰণি অনুষ্ঠান সন্দৰ্ভত এয়া বাক্সাৰ পৰা আমাৰ সংবাদদাতা দামোদৰ তালুকদাৰ-

বাইট

০০০০০০

জাগীৰোডৰ জোনবিলৰ পাৰত অনুষ্ঠিত ঐতিহাসিক গোভা দেওৰজাৰ পৰম্পৰাগত জোনবিল মেলাৰ আজি সামৰণি পৰিব। মেলাৰ মুখ্য আকৰ্ষণ ঐতিহাসিক বিনিময় প্ৰথাৰ হাটত পাহাৰৰ মামা-মামীসকলে থলুৱাভাৱে উৎপাদিত আলু, কচু, আদা, হালধি আদি সামগ্ৰী ভৈয়ামৰ লোকসকলৰ অন্যান্য সামগ্ৰীৰ সৈতে আদান-প্ৰদান কৰে। ইয়াৰ পাছতে জোনবিলৰ পাৰত পৰম্পৰাগত কুকুৰা যুঁজ আৰু সমূহীয়া মাছ ধৰা পৰ্ব অনুষ্ঠিত হয়। গোভা ৰজা দীপসিং দেওৰজাই সমূহীয়া মাছ ধৰা পৰ্ব মুকলি কৰে। এই মেলাৰ সৈতে সংগতি ৰাখি তিৱা আৰু অসমীয়া ভাষাৰ কবি সন্মিলন, বিভিন্ন নৃত্য-গীতৰ কাৰ্যসূচী আৰু সুস্বাদু খাদ্যৰ মেলা অনুষ্ঠিত হৈছে।

তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত জোনবিল মেলাত কালি মধ্য অসমৰ পৰম্পৰাগত তিৱাসকলৰ ৰাজ দৰবাৰত ২২ গৰাকী তিৱা ৰজাক ৰাজভাট্টা প্ৰদান কৰা হয়। মুখ্যমন্ত্ৰীৰ অনুপস্থিতিত ৰাজ্য চৰকাৰৰ প্ৰতিনিধি হিচাপে মন্ত্ৰী পীযুষ হাজৰিকাই তিৱা ৰজাসকলক ৰাজভাট্টা প্ৰদান কৰে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে জনজাতীয় সংৰক্ষিত এলেকাত কোনোধৰণৰ দখল আৰু ঔদ্যোগিক প্ৰতিষ্ঠান স্থাপন কৰা নহয় বুলিও মন্তব্য কৰে।

০০০০০০

ধেমাজি জিলাৰ চিলাপথাৰৰ কাৰেং চাপৰিত অহা ২৬ৰ পৰা ৩০ জানুৱাৰীলৈ দশম মিছিং যুৱ মহোৎসৱ অনুষ্ঠিত হ'ব। এই মহোৎসৱৰ বাবে ৬০০ বিঘা ভূমি সামৰি প্ৰস্তুতি প্ৰায় অন্তিম পৰ্য্যায়ত উপনীত হৈছে। মহোৎসৱৰ অন্তিম দিনাৰ কাৰ্য্যসূচীত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশ ল'ব। এই মহোৎসৱত প্ৰায় ১০ হাজাৰ প্ৰতিনিধিয়ে অংশ ল'ব বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে। মহোৎসৱৰ প্ৰস্তুতি সন্দৰ্ভত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এইদৰে কয়-

***(বাইট ঃ পেগু)***

০০০০০০

৭৭ সংখ্যক গণৰাজ্য দিৱসৰ প্ৰাকমুহূৰ্তত আকাশবাণী গুৱাহাটীৰ 'দৃষ্টিপাত' অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত 'মোৰ বাবে গণতন্ত্ৰৰ অৰ্থ' শীৰ্ষক এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত অংশগ্ৰহণ কৰিব জ্যেষ্ঠ নাগৰিকৰ প্ৰতিনিধি ড০ সূৰ্য দাস, মহিলা সমাজৰ প্ৰতিনিধি মিনাক্ষী কাকতি আৰু ছাত্ৰ সমাজৰ প্ৰতিনিধি অৰুণাভ হাজৰিকাই। অনুষ্ঠানৰ আঁত ধৰিব জিণ্টী ৰাণী ডেকাই। অনুষ্ঠানটোৰ পৰিকল্পনা আৰু প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

দৰং জিলাৰ ছিপাঝাৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত নাহৰবাৰীৰ পৰা নামখলা সংযোগী ১৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱাৰ পুনৰ নিৰ্মাণ আৰু উন্নয়ন প্ৰকল্পৰ কালি শুভাৰম্ভ কৰা হয়। সাংসদ দিলীপ শইকীয়াই কালি উত্তৰ-পূব বিশেষ আন্তঃগাঁথনি উন্নীতকৰণ আঁচনি, ২০২৪-২৫ বৰ্ষৰ বাবে নিৰ্ধাৰিত শিতানৰ প্ৰায় ৪৩ কোটি টকাৰ ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া মঙলদৈ-মাঝিকুছি পথৰ অন্যতম গুৰুত্বপূৰ্ণ এই নিৰ্মাণ প্ৰকল্পৰ শুভাৰম্ভ কৰে। এই উপলক্ষে দেওমৰনৈ উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত ৰাজহুৱা সভাত সাংসদগৰাকীয়ে কয়, যে অহা ডেৰ বছৰত নিৰ্মাণ সম্পূৰ্ণ হ'বলগীয়া এই পথছোৱাই প্ৰান্তীয় এলেকাটোৰ ৰাইজৰ যাতায়াতৰ ক্ষেত্ৰত থকা দীৰ্ঘদিনীয়া অভাৱ পূৰণ কৰিব।

০০০০০০

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ যোৱা নিশা ৰায়পুৰৰ শ্বহীদ বীৰ নাৰায়ণ সিং আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত দ্বিতীয়খন খেলত ভাৰতে নিউজিলেণ্ডক ৭ উইকেটত পৰাস্ত কৰি শৃংখলাত ২-০ৰ অগ্ৰগতি লাভ কৰিছে। ২০৯ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ভাৰতে ১৫ অভাৰ আৰু দুটা বলতে ৩টা উইকেট হেৰুৱাই বিজয় লক্ষ্যত উপনীত হয়। অধিনায়ক সূৰ্য কুমাৰ যাদৱে ৩৭টা বলত ৮২ ৰান

কৰি আউট নোহোৱাকৈ থাকে। ঈষাণ কিষাণেও ৩২টা বলত ৭৬ ৰান আৰু শিৱম ডুবেই ১৮টা বলত ৩৬ ৰানৰ বৰঙণি আগবঢ়ায়। নিউজিলেণ্ডৰ হৈ মেট হেনৰি, জেকফ ডাফি আৰু ইশ্ব ছ'ধীয়ে এটাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে আলহী দলটোৱে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ২০৮ ৰান সংগ্ৰহ কৰে। অধিনায়ক মিচ্ছেল ছেণ্টনাৰে সৰ্বাধিক ৪৭ আৰু ৰাচিন ৰবীন্দ্ৰই ৪৪ ৰান কৰে। ভাৰতৰ হৈ কুলদীপ যাদৱে দুটা আৰু হাৰ্ডিক পাণ্ডিয়া, হৰ্ষিত ৰাণা, শিৱম ডুবে আৰু বৰুণ চক্ৰৱৰ্তীয়ে এটাকৈ উইকেট লাভ কৰে। ঈষাণ কিষাণক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়। শৃংখলাৰ তৃতীয়খন খেল কাইলৈ গুৱাহাটীত অনুষ্ঠিত হ'ব।

০০০০০০

NEWS PAPER REV/RNU (24-01-2026) MORN

গুৱাহাটী-উত্তৰ গুৱাহাটী দলঙত নিৰ্মাণ হ'ব টোলগেট, মোদীয়ে মুকলি কৰিব উত্তৰ গুৱাহাটীৰ সেতু, ভোটাৰৰ নাম কৰ্তনৰ বাবে সক্ৰিয় বিজেপি আদি বিভিন্ন বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰিকাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান পাইছে।

গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী নিৰ্মিয়মান দলঙত টোলপ্লাজা নিৰ্মাণৰ বাবে ৰাজ্যৰ লোকনিৰ্মাণ বিভাগে নিবিদা আহ্বান কৰিছে। ইয়াকে লৈ বিভিন্ন দল সংগঠনৰ মাজত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এই বাতৰি অসমীয়া প্ৰতিদিন কাকতৰ লগতে দ্যা ছেণ্টিনেল কাকতে শিৰোনামৰ বাতৰি হিচাপে প্ৰকাশ কৰিছে।

ছুইজাৰলেণ্ডৰ ডাভোছত অনুষ্ঠিত বিশ্ব অৰ্থনৈতিক মঞ্চত অসমক প্ৰতিনিধিত্ব কৰা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিশ্বৰ ১৬ খন দেশৰ ২০ গৰাকী উদ্যোগপতিক সাক্ষাৎ কৰি উভতি অহাৰ বাতৰি আমাৰ অসম কাকতে প্ৰকাশ কৰিছে।

ভোটাৰৰ নাম কৰ্তনৰ বাবে সক্ৰিয় বিজেপি, নীতি-নিয়ম ভংগ কৰি একোজন লোকে শ শ নাগৰিকৰ বিৰুদ্ধে আপত্তি দাখিলৰ অভিযোগ-এই সন্দৰ্ভত এটা বাতৰি প্ৰকাশ কৰিছে দৈনিক অগ্ৰদূত কাকতখনে।

কালি সৰস্বতী পূজাৰ দিনাই গুৱাহাটী মহানগৰীৰ দুখন অভিজাত বিদ্যালয়ত বোমাতংক হোৱাৰ লগতে কাহিলীপাৰাত এম্বুলেন্সৰ খুন্দাত এগৰাকী যুৱতীয়ে কৰুণ মৃত্যুক সাৱটি লোৱাৰ বাতৰি দৈনিক জনমভূমি, নিয়মীয়া বাৰ্তা আদিৰ লগতে প্ৰায় কেইখন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

বিৰোধী দল আৰু একাংশ সংগঠনে বকো সম-জিলাত শাসকীয় বিজেপি ভোট চুৰিত জড়িত থকাৰ অভিযোগ উত্থাপন কৰাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ নিৰ্বাচনী বিষয়াই জিলা আয়ুক্তক বিষয়টো তদন্ত কৰাৰ নিৰ্দেশ দিছে। এই বাতৰি দৈনিক অসম কাকতৰ।

জলবায়ু পৰিৱৰ্তন সন্দৰ্ভত দি আছাম ট্ৰিবিউন কাকতে আলোকচিত্ৰ সহ এটা বাতৰি সবিস্তাৰে প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চল পুৱাৰ ভাগত কুঁৱলীয়ে আৱৰি থাকিব। পাছলৈ বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু অৰুণাচল প্ৰদেশৰ বতৰ শুকান হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**